# REGIONEL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যিক মন্ত্ৰীসভাৰ আজি দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত অনুষ্ঠিত এখন বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি চাহ শ্ৰমিকৰ মজুৰি ২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। ১০ অক্টোবৰৰ পৰা এই সিদ্ধান্ত কাৰ্যকৰী কৰা হ'ব। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মন্ত্ৰীসভাই ডিব্ৰুগড়ত অসম বিধানসভা, বিধায়ক নিবাস আৰু এহেজাৰ লোক সমবেত হ'ব পৰা প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ২৮৪ কোটি টকাত অনুমোদন দিছে। একেদৰে ডিব্ৰুগড়ৰ খনিকৰ ষ্টেডিয়াম ৰাজ্যৰ সৰ্ববৃহৎ ষ্টেডিয়ামলৈ ৰূপান্তৰ কৰাৰ বাবে ২০৯ কোটি টকাত মঞ্জুৰি দিয়া হৈছে বুলি ডং শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে মন্ত্ৰীসভাই কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ চূড়ান্ত ৰূপতো অনুমোদন দিছে।

০০০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ'ত আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ বেটেলিয়নৰ ডেল্টা কোম্পানীৰ উদ্যোগত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাহাৰীয়া জিলাখনৰ বৈঠালাংছ'ৰ ৰঙাগড়াত অৱস্থিত কৰা-এৰপী মধ্য ইংৰাজী বিদ্যালয় আৰু স্বামী বিবেকানন্দ ইংৰাজী বিদ্যালয়ৰ চৌহদত প্ৰায় ৫০০ তামোল গছৰ পুলি ৰোপণ কৰা হয়। গছপুলি ৰোপণৰ জৰিয়তে দুয়োখন বিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ পৰিৱেশ অনুকুল হোৱাৰ লগতে ভৱিষ্যতে আৰ্থিক সহায়ো আগবঢ়াব বুলি আৰক্ষী বাহিনীৰ বিষয়াই জানিবলৈ দিয়ে।

০০০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰৰ হাটশিঙিমাৰীত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই আজি মানকাচৰ – বাংলাদেশ সীমান্তত উপস্থিত হৈ সীমান্তৱৰ্তী এলেকাৰ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া পৰিস্থিতিৰ বুজ লয়। আয়ুক্তগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াৰ সৈতে কোকৰাদাঙা, কালাইৰ আলগা আৰু শিশুমাৰাত খহনীয়াপ্ৰৱণ এলেকা পৰিদৰ্শন কৰে। একেদৰে জিলাৰ সদৰৰ পৰা সীমান্তলৈ যোৱা সীমান্ত সংযোগী পথো আয়ুক্তগৰাকীয়ে পৰিদৰ্শন কৰে। অত্যধিক বৰষুণৰ ফলত সীমান্ত সংযোগী পথৰ ঠায়ে ঠায়ে ভাঙি যোৱা অংশসমূহ আয়ুক্তগৰাকীয়ে পৰ্যবেক্ষণ কৰি ভাঙি যোৱা স্থানসমূহ বাৰিষাৰ পূৰ্বে পুনৰ নিৰ্মাণ কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশনা প্ৰদান কৰিছে। সীমান্তৰ খহনীয়া আৰু সীমান্ত-সংযোগী পথ পৰিদৰ্শনৰ পাছত জিলা আয়ুক্তগৰাকীয়ে নেওৱাজেছপুৰ গাঁৱত উপস্থিত হৈ অঞ্চলটোৰ খহনীয়াপ্ৰৱণ স্থানসমূহ পৰিদৰ্শন কৰে। এই অঞ্চলতো আজিৰ পৰাই খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগক জিঅ'বেগৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশনা দিয়া হৈছে।

০০০০০০০০০

পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱাৰ ১৭৫ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰা হৈছে। সংস্কৃত ভাষাৰ পণ্ডিতগৰাকীৰ সন্মানাৰ্থে আজি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থাৰ উদ্যোগত এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে।

গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ সভাগৃহত আয়োজিত কাৰ্যসূচীত নতুন দিল্লীৰ ভাৰতীয় সমাজ বিজ্ঞান অনুসন্ধান পৰিষদৰ সদস্য সচিব অধ্যাপক ধনঞ্জয় সিঙে পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতা আগবঢ়াব। এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী তথা আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থাৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। গুৱাহাটীৰ ৰজাদুৱাৰতো আজি দিনজোৰা কাৰ্যসূচীৰে আনন্দৰাম বৰুৱাৰ জন্মবাৰ্ষিকী পালন কৰা হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ্, দেলহী কেপিটেলছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।
প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত